# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 26-09-2024
**Time :** 1845 Hrs

## *Assamese Evening Bulletin*
## *Hradlines*

**- - - - - - - - - - - - - - -**

১। ষোড়শ বিত্তীয় আয়োগৰ অধ্যক্ষৰ নেতৃত্বত অসমলৈ অহা দলটোৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, কেবিনেট মন্ত্ৰী তথা কেইবাগৰাকীও উচ্চ পদস্থ বিষয়াৰ সৈতে আলোচনা।

২। ৰাজ্য চৰকাৰে স্বচ্ছতা ৰক্ষা কৰি মেধাৰ ভিত্তিত নিযুক্তি প্ৰদানৰ ব্যৱস্থা কৰিছে বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ জনস্বাস্থ্য কাৰিকৰী তথা গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগত ২৮২ গৰাকী প্ৰাৰ্থীক নিযুক্তি পত্ৰ প্ৰদান কৰি প্ৰকাশ।

৩। ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ৰ আধাৰত শিক্ষা প্ৰতিষ্ঠানত আনুষ্ঠানিক শিক্ষা ব্যৱস্থাৰ সৈতে দক্ষতা বিকাশৰ পাঠ্যক্ৰমসমূহক একত্ৰিত কৰা সন্দৰ্ভত শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগু আৰু দক্ষতা বিকাশ মন্ত্ৰী জয়ন্ত মল্লবৰুৱাৰ উপস্থিতিত বৈঠক।

৪। অৰুণাচল প্ৰদেশ আৰু নাগালেণ্ডৰ একাংশ অঞ্চলত সশস্ত্ৰ বাহিনীৰ বিশেষ ক্ষমতা আইন, আফস্পাৰ ম্যাদ ১ অক্টোবৰৰ পৰা কাৰ্যকৰী হোৱাকৈ পৰৱৰ্তী ছমাহলৈ বৃদ্ধি।

**আৰু**

৫। সমাগত শাৰদীয় দুৰ্গা পূজা সুকলমে উদযাপনৰ বাবে কামৰূপ মহানগৰ জিলা প্ৰশাসনৰ নীতি-নিৰ্দেশনা জাৰি।

০০০০০০০

চাৰিদিনীয়া ভ্ৰমণসূচীৰে কালি গুৱাহাটীত উপস্থিত হোৱা ষোড়শ বিত্তীয় আয়োগৰ অধ্যক্ষৰ নেতৃত্বত দলটোৱে আজি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, কেবিনেট মন্ত্ৰীসকলক তথা কেইবাগৰাকীও উচ্চ পদস্থ বিষয়াৰ সৈতে আলোচনাত মিলিত হয়। দলটোৱে লগতে বিভিন্ন ৰাজনৈতিক দল, স্থানীয় সংস্থা, পৰিষদ আৰু উদ্যোগৰ প্ৰতিনিধিৰ সৈতেও আলোচনা কৰে। আলোচনাকালত মুখ্যমন্ত্ৰীয়ে দেশৰ প্ৰতিখন ৰাজ্যৰ বাবে কৰ বিভাজন আৰু দৰিদ্ৰতা দূৰীকৰণৰ বাবে বহুমুখী আৱণ্টনৰ লক্ষ্যৰে শ্ৰেণী বিভাজন কৰাৰ পৰামৰ্শ দিয়াৰ কথা বিত্ত আয়োগৰ অধ্যক্ষ ড০ অৰবিন্দ পানাগাৰিয়াই উল্লেখ কৰে। বৈঠকৰ পাছত সংবাদমাধ্যমক সম্বোধন কৰি অধ্যক্ষগৰাকীয়ে কয় যে, চুবুৰীয়া ৰাজ্যসমূহক পেট্ৰ'লিয়ামজাত সামগ্ৰীকে ধৰি আবকাৰী কৰৰ হাৰ পোৱাৰ বাবে কৰ বিভাজনৰ ক্ষেত্ৰত অসমৰ অংশ হ্ৰাস পাইছে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰিছে। অধ্যক্ষগৰাকীয়ে লগতে মুখ্যমন্ত্ৰীয়ে দৰিদ্ৰতা দূৰীকৰণৰ লক্ষ্যৰে বহুমাত্ৰিক আৱণ্টনৰ বাবে শ্ৰেণী বিভাজনৰ পৰামৰ্শ আগবঢ়োৱাৰ উপৰি ৰাজ্যসমূহৰ সম্পদৰ পুলৰ পৰা ৫ শতাংশ আৱণ্টন বিচাৰিছে বুলিও জানিবলৈ দিয়ে। উল্লেখযোগ্য যে বিত্তীয় আয়োগৰ দলটোৱে ৰাজ্যখনৰ নেতাসকলৰ সৈতে বিত্তীয় বিষয় সন্দৰ্ভত আলোচনা কৰাৰ কাৰ্যসূচী লৈছে। কাইলৈ দলটোৱে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান, জাগীৰোডৰ ছেমি কণ্ডাক্টৰ প্ৰকল্পস্থলী আৰু অন্যান্য স্থান পৰিদৰ্শন কৰিব। দলটোৱে ২০২৫ চনৰ ৩১ অক্টোবৰৰ পূৰ্বে আয়োগৰ পৰামৰ্শসমূহ প্ৰদান কৰিব আৰু এই পৰামৰ্শাৱলী ২০২৬ চনৰ এপ্ৰিলৰ পৰা কাৰ্যকৰী হ'ব। উল্লেখযোগ্য যে কেন্দ্ৰ আৰু ৰাজ্যসমূহৰ মাজত কৰ ৰাজহ বিভাজন সন্দৰ্ভত পৰামৰ্শ প্ৰদানৰ বাবে ৰাষ্ট্ৰপতিয়ে বিত্তীয় আয়োগ গঠন কৰে।

০০০০০০০

ৰাজ্য চৰকাৰে আজি জনস্বাস্থ্য কাৰিকৰী তথা গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগত ২৮২ গৰাকী প্ৰাৰ্থীক নিযুক্তি পত্ৰ প্ৰদান কৰে। ইয়াৰ ভিতৰত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ সহকাৰী অভিযন্তা পদত ৮১ গৰাকী, গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ কাৰিকৰী বিষয়া পদত ১০০ গৰাকী আৰু বিত্তীয় ব্যৱস্থাপনা পদত ১০১ গৰাকী প্ৰাৰ্থীক নিযুক্তি দিয়া হৈছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই নৱনিযুক্ত প্ৰাৰ্থীসকলক অভিনন্দন জ্ঞাপন কৰি নিষ্ঠা, সততা আৰু উৎসৰ্গিত মনোভাৱেৰে সেৱা আগবঢ়াই যাবলৈ আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে কয় যে, অসমে এবাৰ প্ৰতিশ্ৰুতি পূৰণতে সীমাবদ্ধ থকাত বিশ্বাস নকৰে বৰং এই প্ৰক্ৰিয়া অব্যাহত ৰখাৰ প্ৰয়াস কৰে। আজি মুখ্যমন্ত্ৰীয়ে এই নিযুক্তি পত্ৰসমূহ বিতৰণ কৰাৰ লগে লগে ৰাজ্য চৰকাৰে এক লাখ নিযুক্তিৰ বাবে দিয়া প্ৰতিশ্ৰুতি অতিৰিক্তভাৱে ২৪ হাজাৰৰো অধিক নিযুক্তি সম্পন্ন হ'ল। এতিয়ালৈকে ৰাজ্য চৰকাৰে এক লাখ ২৪ হাজাৰ ৬২৭টা পদত নিযুক্তি প্ৰদান কৰিছে। চৰকাৰে কেৱল লক্ষাধিক নিযুক্তি প্ৰদান কৰাই নহয় সমগ্ৰ প্ৰক্ৰিয়াত স্বচ্ছতা বজাই ৰাখি মেধাৰ ভিত্তিতহে নিযুক্তি প্ৰদানৰ ব্যৱস্থা কৰিছে বুলি প্ৰকাশ কৰে।

০০০০০০০

ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ৰ আধাৰত ৰাজ্যখনৰ শিক্ষা প্ৰতিষ্ঠানসমূহত আনুষ্ঠানিক শিক্ষা ব্যৱস্থাৰ সৈতে দক্ষতা বিকাশৰ পাঠ্যক্ৰমসমূহক একত্ৰিত কৰা সন্দৰ্ভত আজি শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগু আৰু দক্ষতা বিকাশ মন্ত্ৰী জয়ন্ত মল্লবৰুৱাৰ উপস্থিতিত এখন বৈঠক অনুষ্ঠিত হয়। দিছপুৰৰ লোকসেৱা ভৱনত অনুষ্ঠিত এই বৈঠকত ৰাজ্যখনৰ শিক্ষাৰ্থীসকলৰ বাবে অধিক ফলপ্ৰসূ শিক্ষণ অভিজ্ঞতা সৃষ্টি কৰাৰ লগতে তেওঁলোকৰ দক্ষতা বিকাশৰ বিষয়টোত গুৰুত্ব আৰোপ কৰাৰ বিষয়ে আলোচনা কৰা হয়। আজিৰ বৈঠকত শিক্ষা বিভাগ, দক্ষতা বিকাশ বিভাগ আৰু এন এছ ডি চিৰ বিষয়াসকল উপস্থিত থাকে।

০০০০০০০

ৰাজ্যিক পৰ্যায়ৰ নিযুক্তি আয়োগৰ অধীনত অহা ২৯ ছেপ্তেম্বৰত তৃতীয় আৰু চতুৰ্থ বৰ্গৰ পদৰ বাবে অনুষ্ঠিত হ'বলগীয়া অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষা স্বচ্ছ, নিকা আৰু শান্তিপূৰ্ণভাৱে সম্পন্ন কৰাৰ বাবে বিভিন্ন জিলা প্ৰশাসনে প্ৰস্তুতি চলাইছে।

চৰাইদেউ জিলাত এই পৰীক্ষা স্বচ্ছ, নিকা আৰু শান্তিপূৰ্ণভাৱে অনুষ্ঠিত কৰাৰ বাবে জিলা প্ৰশাসনে যাৱতীয় প্ৰস্তুতিমূলক পদক্ষেপ গ্ৰহণ কৰিছে। এই সন্দৰ্ভত আজি জিলা আয়ুক্তৰ অধ্যক্ষতাত পৰীক্ষা কেন্দ্ৰৰ ভাৰপ্ৰাপ্ত বিষয়া, সহকাৰী ভাৰপ্ৰাপ্ত বিষয়া, জিলা আয়ুক্ত আৰু বিদ্যালয়সমূহৰ পৰিদৰ্শকৰ দ্বাৰা নিয়োজিত পৰ্যবেক্ষণ বিষয়াসকলৰ এখন প্ৰস্তুতিমূলক বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত জিলা আয়ুক্তগৰাকীয়ে পৰীক্ষা পৰিচালনাৰ বাবে নিয়োজিত বিষয়াসকলক নিজ নিজ দায়িত্ব নিষ্ঠা সহকাৰে পালন কৰিবলৈ পৰামৰ্শ দিয়ে। পৰীক্ষা প্ৰক্ৰিয়া পৰিচালনা কৰাৰ ক্ষেত্ৰত কোনো ধৰণৰ গাফিলতি সহ্য কৰা নহব বুলি আয়ুক্তগৰাকীয়ে এনে ক্ষেত্ৰত আইনগত ব্যৱস্থা গ্ৰহণ কৰিব বুলি উল্লেখ কৰে।

তামুলপুৰ জিলাতো পৰীক্ষাৰ প্ৰস্তুতি সন্দৰ্ভত জিলা আয়ুক্তৰ অধ্যক্ষতাত এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। বৈঠকত জিলা আয়ুক্তগৰাকীয়ে পৰীক্ষা যাতে সুকলমে অনুষ্ঠিত হয় তাৰ প্ৰতি পৰীক্ষা নিয়োজিত সকলো ব্যক্তিকে দায়িত্বসমূহ সুচাৰুৰূপে পালন কৰিবলৈ আহ্বান জনায়। আনহাতে পৰীক্ষাৰ দিনা যিসমূহ নিষেধাজ্ঞা আৰোপ কৰা হৈছে সেইবোৰ সঠিকভাৱে পালন কৰাৰ ওপৰতো আয়ুক্তগৰাকীয়ে গুৰুত্ব আৰোপ কৰে।

কোকৰাঝাৰ জিলাতো পৰীক্ষা সুকলমে অনুষ্ঠিত কৰাৰ বাবে জিলা আয়ুক্তগৰাকীয়ে সংশ্লিষ্ট সকলোকে নিৰ্দেশ দিয়ে।

০০০০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি বিয়লি ৪ বাজি ৩১ মিনিটত ভূমিকম্পৰ মৃদু জোকাৰণি অনুভূত হয়। ৰিখটাৰ স্কেলত ইয়াৰ প্ৰাবল্য ৪ দশমিক ৬ বুলি জানিব পৰা গৈছে। আনহাতে ইয়াৰ অভিকেন্দ্ৰ কামৰূপ জিলাৰ উপকণ্ঠ অঞ্চলত বুলি প্ৰকাশ কৰা হৈছে।

০০০০০০০

বিজেপিৰ এজন নেতাৰ আত্মহননৰ ঘটনাৰ সৈতে নাম সাঙোৰ খোৱা গুৱাহাটীৰ খানাপাৰাৰ দুলাল বৰা নামৰ এজন অভিযুক্তক আজি অসম আৰক্ষীয়ে দিল্লী আৰক্ষীৰ পৰা নিজৰ জিম্মাত লৈছে। উল্লেখযোগ্য যে অভিযুক্ত বৰাক কালি দিল্লী আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছিল। ইফালে, শিৱসাগৰ জিলাৰ সোণাৰি থানাত ৰুজু হোৱা আত্মহননৰ গোচৰটোত অভিযুক্তজনে গুৱাহাটী উচ্চ ন্যায়ালয়ত আগতীয়া জামিন আবেদন দাখিল কৰি অন্তৰৰ্তীকালীন সকাহ দিবলৈ অনুৰোধ জনাইছিল যদিও উচ্চ ন্যায়ালয়ে কালি অন্তৰ্বৰ্তীকালীন জামিন নামঞ্জুৰ কৰে।

০০০০০০০

সপ্তম ৰাষ্ট্ৰীয় পোষণ মাহৰ অংশ হিচাপে সমগ্ৰ ৰাষ্ট্ৰজুৰি ৯ কোটি লাখৰো অধিক কাৰ্যসূচী অনুষ্ঠিত হৈছে। পুষ্টিহীনতা ৰোধ কৰা আৰু সৰ্বাংগীন কল্যাণৰ লক্ষ্যৰে এই বাৰ্ষিক অভিযানৰ অধীনত ৰক্তহীনতা দূৰীকৰণৰ বাবে এক কোটি ৮৮ লাখ কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। আনহাতে শিশুৰ বিকাশ নিৰীক্ষণৰ লক্ষ্যৰে এক কোটি ৬৮ লাখ আৰু পৰিপূৰক মাতৃ দুগ্ধপানক লৈ এক কোটি ৪৫ লাখ কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। ইপিনে এই অভিযানৰ **পোষণ ভী পঢ়াই ভী** অৰ্থাৎ পুষ্টিৰ লগতে অধ্যয়ন কাৰ্যসূচীৰ অধীনত এক কোটি ৫৯ লাখ কাৰ্যসূচী অনুষ্ঠিত হয়। অন্যান্য কাৰ্যসূচী যেনে জন সজাগতা, পৰিৱেশ সুৰক্ষাকে ধৰি বিভিন্ন বিষয়টো জনসাধাৰণক সচেতন কৰি তুলিবলৈ অনুষ্ঠানৰ আয়োজন কৰা হয়। মহিলা আৰু শিশু বিকাশ মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে এই অভিযানৰ অধীনত কাৰ্য ৰূপায়ণত মহাৰাষ্ট্ৰ, বিহাৰ, মধ্যপ্ৰদেশ, উত্তৰ প্ৰদেশ, গুজৰাট আৰু অন্ধ্ৰপ্ৰদেশ শীৰ্ষ স্থানত আছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২৯ ছেপ্তেম্বৰত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ-বিদেশৰ জনসাধাৰণৰ আগত মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটিৰ ১১৪ সংখ্যক খণ্ড।

প্ৰধানমন্ত্ৰীয়ে এই অনুষ্ঠানৰ বাবে জনসাধাৰণৰ পৰা দিহা পৰামৰ্শ বিচাৰিছে। জনসাধাৰণে ১৮০০-১১-৭৮০০ এই শুল্কবিহীন নম্বৰলৈ ফোন কৰি প্ৰধানমন্ত্ৰীলৈ দিহা পৰামৰ্শ আগবঢ়াব পাৰিব। তেওঁলোকে লগতে নৰেন্দ্ৰ মোদী এপ অথবা মাই গভ মুকলি মঞ্চৰ যোগেদিও পৰামৰ্শ আগবঢ়াব পাৰিব। অনুষ্ঠানটিৰ আসন্ন খণ্ডৰ বাবে পৰহিলৈ পৰ্যন্ত পৰামৰ্শ গ্ৰহণ কৰা হ'ব।

আকাশবাণী - দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেবছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে ২৯ ছেপ্তেম্বৰত দিনৰ ১১ বজাত এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজ, প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউ টিউব চেনেলযোগেও এই অনুষ্ঠানৰ প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে প্ৰচাৰ হোৱাৰ ঠিক পাছতেই অনুষ্ঠানটিৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০০০

অৰুণাচল প্ৰদেশ আৰু নাগালেণ্ডৰ একাংশ অঞ্চলত সশস্ত্ৰ বাহিনীৰ বিশেষ ক্ষমতা আইন, আফস্পাৰ ম্যাদ অহা ১ অক্টোবৰৰ পৰা কাৰ্যকৰী হোৱাকৈ পৰৱৰ্তী ছুমাহলৈ বৃদ্ধি কৰা হৈছে। কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ৰ এখন জাননীত এই কথা প্ৰকাশ কৰি কোৱা হৈছে যে অৰুণাচল প্ৰদেশৰ তিনিখন আৰু নাগালেণ্ডৰ ৮খন জিলাকে ধৰি অঞ্চল বিশেষত এই ব্যৱস্থা কাৰ্যকৰী হ'ব। জাননীখনত প্ৰকাশ পোৱা মতে অৰুণাচল প্ৰদেশৰ টিৰাপ, চাংলাং আৰু লংডিং জিলা তিনিখনে সামৰি লোৱা অঞ্চলসমূহৰ লগতে নামছাই জিলাৰ অন্তৰ্গত মহাদেৱপুৰ আৰু চৌখাম থানাৰ অন্তৰ্গত এলেকাসমূহক অশান্ত অঞ্চল হিচাপে চিহ্নিত কৰি আফস্পা প্ৰয়োগৰ ব্যৱস্থা কৰা হৈছে।

আনহাতে, নাগালেণ্ডৰ ৮ খন জিলাই সামৰি লোৱা সমগ্ৰ অঞ্চলৰ লগতে আন ছখন জিলাৰ অংশ বিশেষত সশস্ত্ৰ বাহিনীৰ বিশেষ ক্ষমতা আইনৰ ম্যাদ পুনৰ ছমাহৰ বাবে বৃদ্ধি কৰা হৈছে। এই আইন সম্পূৰ্ণৰূপে কাৰ্যকৰী হ'বলগীয়া জিলাকেইখন হ'ল- ডিমাপুৰ, নিউলেণ্ড, চুম'কেডিমা, মন, কিফিৰে, নক্লাক, ফেক আৰু পেৰেন।

০০০০০০০

কামৰূপ মহানগৰ জিলা প্ৰশাসনে সমাগত শাৰদীয় দুৰ্গা পূজা সুকলমে উদযাপনৰ বাবে কেতবোৰ নীতি-নিৰ্দেশনা জাৰি কৰিছে। প্ৰশাসনে পূজা সমিতিসমূহক জনসাধাৰণৰ সুৰক্ষাৰ সৈতে জড়িত এই নীতি-নিৰ্দেশনাসমূহ কঠোৰভাৱে মানি চলিবলৈ আহ্বান জনাইছে। এই অনুসৰি পূজা মণ্ডপ নিৰ্মাণত বিশেষকৈ বৈদ্যুতিক কাম-কাজৰ ক্ষেত্ৰত অত্যন্ত সাৱধানতা অৱলম্বন কৰিবলৈ কোৱা হৈছে। সকলো পূজা সমিতিক আগতীয়াকৈ লোকনিৰ্মাণ বিভাগ, মুখ্য বিদ্যুৎ উপদেষ্টা আৰু অগ্নিনিৰ্বাপন বিভাগৰ পৰা আপত্তিবিহীনতা প্ৰমাণপত্ৰ ল'বলৈ কোৱা হৈছে। মণ্ডপসমূহত জনসাধাৰণৰ প্ৰৱেশ আৰু প্ৰস্থানৰ সুকীয়া পথ ৰাখিবলৈ পৰামৰ্শ দিয়া হৈছে। তদুপৰি জৰুৰীকালীন সহায়ৰ বাবে চিকিৎসকৰ দল সাজু কৰি ৰখাৰ উপৰি স্থানীয় থানাত আগতীয়াকৈ যোগাযোগ কৰি ৰাখিবলৈ কোৱা হৈছে। পূজা মণ্ডপত ভিৰ নিয়ন্ত্ৰণৰ বাবে স্বেচ্ছাসেৱক নিয়োগ কৰি উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিবলৈ কোৱা হৈছে। তদুপৰি পূজাথলীত খোৱাপানী আৰু পোহৰৰ ব্যৱস্থা, স্বচ্ছতা আৰু পৰিচ্ছন্নতা বজাই ৰখাতো বাধ্যতামূলক বুলি কোৱা হৈছে। মণ্ডপসমূহত কোনোধৰণৰ মাদক দ্ৰব্য ব্যৱহাৰ নিষিদ্ধ কৰা হৈছে। ৰাজহুৱা স্থানত আগতীয়া অনুমতি অবিহনে পূজা মণ্ডপ স্থাপনত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। মণ্ডপসমূহৰ ১০০ মিটাৰ ব্যাসাৰ্ধৰ ভিতৰত যান-বাহন ৰখোৱাত বাধা আৰোপ কৰা হৈছে। তদুপৰি পলিথিনৰ ব্যৱহাৰ মুক্ত কৰি ৰখাৰ বাবে পূজা সমিতিসমূহক আহ্বান জনোৱা হৈছে।

০০০০০০০

২০২৪-২৫ পৰ্যটন বৰ্ষৰ বাবে মানস ৰাষ্ট্ৰীয় উদ্যান মুকলিৰ দিন সলনি কৰা হৈছে বুলি ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষৰ তৰফৰ পৰা জানিব পৰা গৈছে। ২০২৪-২৫ বৰ্ষৰ বাবে বিশ্ব ঐতিহ্য ক্ষেত্ৰ মানস ৰাষ্ট্ৰীয় উদ্যানখন পৰ্যটকৰ বাবে মুকলিৰ দিন পূৰ্বে ১ অক্টোবৰ ধাৰ্য কৰা হৈছিল যদিও বিভাগীয় কৰ্তৃপক্ষই কাইলৈৰ পৰা ৰাষ্ট্ৰীয় উদ্যানখন পৰ্যটকৰ কাৰণে পুনৰ মুকলি কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। ৰাষ্ট্ৰীয় উদ্যানখনৰ ক্ষেত্ৰ সঞ্চালক ড০ চি ৰমেশে এক জাননীযোগে এই কথা সদৰি কৰিছে। উল্লেখযোগ্য যে কাইলৈ ৰাজ্যৰ পৰ্যটন বিভাগে বড়োলেণ্ড পৰ্যটন বিভাগৰ সহযোগত মানসত বিশ্ব পৰ্যটন দিৱস উদযাপন কৰাৰ বাবে প্ৰস্তুতি ইতিমধ্যে সম্পূৰ্ণ কৰি তুলিছে। অৰ্থাৎ বিশ্ব পৰ্যটন দিৱসৰ সমান্তৰালভাৱে কাইলৈ পৰ্যটকৰ বাবে মানসৰ প্ৰৱেশ দ্বাৰ মুকলি কৰা হ'ব। ৰাজ্যৰ পৰ্যটন বিভাগৰ মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা পৰ্যটন দিৱসৰ কাৰ্যসূচীত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। লগতে একেটা অনুষ্ঠানতে বি টি আৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো উপস্থিত থকাৰ কথাও আছে।

০০০০০০০

কৰিমগঞ্জ জিলাত খাদ্য সুৰক্ষা আঁচনিৰ অধীনত ৫৭ হাজাৰ নতুন হিতাধিকাৰী বাছনিৰ বাবে জিলা উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত অতিৰিক্ত জিলা আয়ুক্তৰ নেতৃত্বত এখন সভা অনুষ্ঠিত হয়। বৈঠকত অহা ১৫ অক্টোবৰৰ ভিতৰত হিতাধিকাৰীৰ পৰা প্ৰয়োজনীয় নথিপত্ৰ সংগ্ৰহ কৰাৰ লগতে বৰ্তমানৰ ৰেচন কাৰ্ডধাৰীসকলৰ পৰাও এই নথিপত্ৰ সংগ্ৰহ কৰাৰ বাবে গ্ৰাম পঞ্চায়তক নিৰ্দেশ দিয়া হয়। নতুন ৰেচন কাৰ্ড আবেদনৰ বাবে আবেদনকাৰীয়ে পৰিয়ালৰ সকলো সদস্যৰ আধাৰ কাৰ্ড, শেহতীয়া ভোটাৰ তালিকা বা ভোটাৰ পৰিচয় পত্ৰ আৰু পৰিয়ালৰ মুৰব্বী অৰ্থাৎ আবেদনকাৰীৰ বেংক পাছবুকৰ প্ৰথম পৃষ্ঠা চি-ফৰ্মৰ লগতে ফটোকপি জমা দিব লাগিব।

উল্লেখযোগ্য যে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই যোৱা ১৯ ছেপ্তেম্বৰত ভাৰ্চুৱেল ব্যৱস্থাৰ জৰিয়তে অৰুণোদয় ৩.০ প্ৰকল্পত ৩৭ দশমিক ২ লাখ পৰিয়াল বাছনি কৰাৰ লগতে ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইন ২০১৩ৰ অধীনত ১৯ লাখ ৯২ হাজাৰ ১৬৭জন হিতাধিকাৰীক সুবিধা প্ৰদানৰ কাৰ্যসূচী ঘোষণা কৰে।

০০০০০০০

মুখ্যমন্ত্ৰী আত্মনিৰ্ভৰ অসম অভিযানৰ অধীনত আজি যোৰহাটৰ ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠানত হিতাধিকাৰীসকলৰ মাজত প্ৰশিক্ষণ অনুষ্ঠিত হয়। এই প্ৰশিক্ষণত প্ৰশিক্ষাৰ্থীসকলক আত্মনিৰ্ভৰশীলতাৰ বিভিন্ন আঁচনি সম্পৰ্কে প্ৰশিক্ষণ দিয়া হয়। অনুষ্ঠানত জিলা আয়ুক্তকে ধৰি বহুকেইগৰাকী ব্যক্তি উপস্থিত থাকে।

০০০০০০০

স্বচ্ছতা হী সেৱা কাৰ্যসূচীৰ অধীনত আজি গোলাঘাট জিলাৰ নেঘেৰিটিং চাৰিআলিত দেৰগাঁও পৌৰসভা, জনস্বাস্থ্য কাৰিকৰী বিভাগ আৰু কাকডোঙা উন্নয়ন খণ্ডৰ উদ্যোগত এটা স্বচ্ছতা অভিযানৰ আয়োজন কৰা হয়। এই কাৰ্যসূচীত গোলাঘাট জিলাৰ জিলা উন্নয়ন আয়ুক্ত, কাকডোঙা উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া, দেৰগাঁও পৌৰসভাৰ কাৰ্যবাহী বিষয়াকে ধৰি বহু ব্যক্তিয়ে নেঘেৰিটিং চাৰিআলি পৰিস্কাৰ কৰাৰ কামত অংশগ্ৰহণ কৰে।

০০০০০০০

ক'ভিডত আক্ৰান্ত হৈ অকালতে প্ৰাণ হেৰুওৱা আকাশবাণী গুৱাহাটীৰ অংশকালীন বাতৰি পৰিৱেশক, নাট তথা বৰগীতৰ শিল্পী গোলাপ শইকীয়াৰ পঞ্চম মৃত্যু দিৱস উপলক্ষে আজি কেন্দ্ৰটোৰ আঞ্চলিক বাতৰি বিভাগৰ কাৰ্যালয়ত স্মৃতিচাৰণ অনুষ্ঠানৰ আয়োজন কৰা হয়। ২০২০ চনৰ আজিৰ দিনটোতে ক'ভিডত আক্ৰান্ত হৈ শইকীয়াৰ দেহাৱসান হৈছিল। আজি স্মৃতিচাৰণ অনুষ্ঠানত দূৰদৰ্শনৰ পাটনাৰ আঞ্চলিক বাতৰি বিভাগৰ মুৰববী ছলমান হায়দৰ উপস্থিত থাকি প্ৰয়াত বাতৰি পৰিৱেশকগৰাকীক শ্ৰদ্ধাঞ্জলি জ্ঞাপন আৰু স্মৰণৰ বাবে আকাশবাণীয়ে লোৱা এই পদক্ষেপক প্ৰশংসা কৰে। এই অনুষ্ঠানত আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰববী মানস প্ৰতীম শৰ্মাৰ লগতে বিভাগটোৰ কেইবাগৰাকীও সদস্যই শইকীয়াৰ সৈতে থকা মধুৰ স্মৃতি ৰোমন্থন কৰাৰ উপৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

০০০০০০০

ডিফু লোকসভা সমষ্টিৰ স্থানীয় সাংসদ এলেকা উন্নয়ন পুঁজিৰ অধীনত আজি বকলীয়াঘাট প্ৰেছ ক্লাৱত এম্বুলেছ প্ৰদান কৰা হয়। এই উপলক্ষে বকলীয়াঘাট পৌৰসভাৰ কাৰ্যালয়ত আয়োজিত সভাত সাংসদ অমৰ চিং তিছ'ৰ উপস্থিতিত কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙে এম্বুলেঞ্চৰ চাবি আৰু নথিপত্ৰসমূহ বকলীয়াঘাট প্ৰেছ ক্লাৱৰ সভাপতি সম্পাদকৰ ওচৰত অৰ্পণ কৰে। সাংসদ শ্ৰী তিছ'ৰে ২০২২-২৩ বৰ্ষত স্থানীয় সাংসদ এলেকা উন্নয়ন পুঁজি আঁচনিৰ অধীনত এম্বুলেঞ্চ সেৱা প্ৰৱৰ্তন কৰা বুলি জানিব দিয়ে। এই অনুষ্ঠানত জিলা আয়ুক্ত প্ৰমুখ্যে স্বায়ত্ত শাসিত পৰষিদৰ কেইবাজনো কাৰ্যবাহী সদস্য উপস্থিত আছিল।

০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰত অসমীয়া ভাষাৰ সাধাৰণ ঘোষণা তথা শিশু আৰু মহিলা শাখাৰ লগতে হিন্দী, নেপালী, কাৰ্বি, বড়ো, চাহ জনগোষ্ঠীৰ অনুষ্ঠান আৰু পাশ্চাত্য সংগীত শাখাত অংশকালীন ঘোষক-ঘোষিকাৰ বাবে আগ্ৰহী প্ৰাৰ্থীৰ পৰা আবেদন বিচৰা হৈছে। ২০ৰ পৰা ৫০ বছৰ বয়স ৰ ভিতৰৰ স্নাতক ডিগ্ৰীধাৰী প্ৰাৰ্থীয়ে ইয়াৰ বাবে আবেদন কৰিব পাৰিব। প্ৰাৰ্থী গুৱাহাটী পৌৰ এলেকাৰ বাসিন্দা হ'ব লাগিব। আগ্ৰহীসকলে আকাশবাণী গুৱাহাটীৰ ফেচবুক পেজ AIR GUWAHATI-ৰ পৰা আবেদন প্ৰ-পত্ৰ ডাউনল'ড কৰি অথবা আকাশবাণী গুৱাহাটীৰ সমন্বয় শাখাৰ পৰা আবেদন প্ৰ-পত্ৰ সংগ্ৰহ কৰি যাৱতীয় নথিৰ সৈতে অহা ৪ অক্টোবৰৰ ভিতৰত জমা দিব লাগিব। প্ৰাৰ্থীসকলক লিখিত পৰীক্ষা, কণ্ঠস্বৰ পৰীক্ষা আৰু সাক্ষাতকাৰৰ জৰিয়তে নিৰ্বাচন কৰা হ'ব।

০০০০০০০

সমাপ্ত